**কাজাখস্তান, কিৰগিজ গণৰাজ্য , তাজিকিস্তান, তুৰ্কমেনিস্তান আৰু উজবেকিস্তানৰ বৈদেশিক মন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ বৈঠক**

জুন 06, 2025

1. কাজাখস্তান গণৰাজ্য , কিৰগিজ গণৰাজ্য , তাজিকিস্তান গণৰাজ্য , তুৰ্কমেনিস্তান আৰু উজবেকিস্তান গণৰাজ্যৰ বৈদেশিক মন্ত্ৰীসকলে আজি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সমূহীয়াভাবে সাক্ষাৎ কৰে।

2. নতুন দিল্লীত আজি অনুষ্ঠিত হোৱা চতুৰ্থ ভাৰত-মধ্য এছিয়া বৈঠকৰ ইতিবাচক আৰু ফলপ্ৰসূ আলোচনাৰ বিষয়ে মন্ত্ৰীসকলে প্ৰধানমন্ত্ৰীক অৱগত কৰে।

3. প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকত এই কথা প্ৰকাশ কৰে যে মধ্য এছিয়াৰ দেশসমূহৰ সৈতে সম্পৰ্ক অটুট ৰখাটো ভাৰতৰ সদায় মূল অগ্ৰাধিকাৰৰ বিষয় হৈ আহিছে। তেওঁ জনসাধাৰণৰ মাজত থকা ঐতিহাসিক সম্পৰ্কৰ শক্তিশালী ভেটিৰ ওপৰত আধাৰ কৰি বৃহত্তৰ অৰ্থনৈতিক আন্তঃসংযোগ, সম্প্ৰসাৰিত সংযোগ, বৰ্ধিত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা তথা নতুন আৰু উদীয়মান ক্ষেত্ৰত ব্যাপক সহযোগিতাৰ বিষয়ত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰে।

4. প্ৰধানমন্ত্ৰীয়ে এই বিষয়ত আলোকপাত কৰে যে ভাৰত-মধ্য এছিয়াৰ শক্তিশালী অংশীদাৰিত্বই আঞ্চলিক আৰু বিশ্বব্যাপী প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত শক্তিৰ বহুগুণক হিচাপে কাম কৰিছে।

5. মধ্য এছিয়াৰ বৈদেশিক মন্ত্ৰীসকলে 2025 চনৰ 22 এপ্ৰিলত পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দি সীমা অতিক্ৰম কৰি সংঘটিত হৈ থকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে চলাই থকা যুঁজখনৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে।

6. এই বৈঠকৰ সময়তে প্ৰধানমন্ত্ৰীয়ে ভাৰতত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় ভাৰত-মধ্য এছিয়া শীৰ্ষ সন্মিলনলৈ মধ্য এছিয়াৰ সকলো দেশৰ নেতাক আমন্ত্ৰণ জনায়।

নতুন দিল্লী

জুন 06, 2025